স্বৰাজ সাহিত্য মন্দিৰৰ পুস্তিকা নং ৩

মুছলিনী

(ছিনৰ মুছলিনী)

প্ৰতাপ তালুকদাৰ

অৰ্পণ—

সাহিত্য-সম্ৰাট

৺লক্ষ্মীনাথ বেজবৰুৱাৰ

স্বৰ্গীয় নামত

প্ৰতাপ

প্ৰকাশক

শ্ৰীগজেন্দ্ৰনাথ বৰা

কংগ্ৰেছ ৰোড, গুৱাহাটী

জুলাই ১৯৩৮

প্ৰিণ্টাৰ—শ্ৰীউমাকান্ত ডেকা

জয়ন্তী আৰ্ট প্ৰেছ, গুৱাহাটী

GOVERNMENT OF ASSAM
Call No...............
DISTRICT LIBRARY.

ছিনৰ বেনিট' মুছলিনী

বসন্ত কাল। পৃথিবীৰ বুকুত সুন্দৰ সোণালী কিৰণ আৰু সেই সোণালী স্পৰ্শত জাগি উঠিছে ৰোমানৰ পথাৰে পথাৰে ফুলৰ বাগিছা। যিপিনে চকু যায়—পৰ্ব্বতে প্ৰান্তৰে নানা বৰণীয়া শস্য-সম্ভাৰ, দিগন্ত বিয়পি দেখা দিছে—এখনি সুনীল চন্দ্ৰতাপ।

প্ৰকৃতি ধীৰ। কতো একো সাৰ-শব্দ নাই। বতাহৰ বেগে এডোখৰ মেঘকো লৰচৰ কৰিব পৰা নাই। কেৱল অশেষ প্ৰাণ-শক্তিৰ বিকাশ চাৰিউপিনে। ইটালীয় প্ৰান্তৰৰ নিস্তব্ধতা ভঙ্গ কৰি অকস্মাৎ বাজি উঠিছে উৎসৱৰ ঘণ্টা।

দেওবাৰ আবেলি।—সকলোৰে মুখত আনন্দৰ চিন বিৰিঙি উঠিছে। অকণমান ফৰ্লি নগৰ সুৰভিত সম্ভৰা টেঙাৰ বাগিছাৰ দৰে বসন্তৰ ঐশ্বৰ্য্য-সম্ভাৰত উজ্জ্বলিত হৈছে। নগৰৰ ফুলনিত আজি নানা লোকৰ সমাগম।

গীৰ্জ্জাৰ ওচৰত এদল ডেকা আৰু বুঢ়া মিলি দৈনিক সংবাদ আলোচনা কৰিছে। কেৱল কফিখানাত "চিয়ান্তি"

DISTRICT LIBRARY
COLLECTION)

সুৰাপান কৰাৰ পিচতে তেওঁলোকৰ দুয়ো দলৰ ভিতৰত বিৰোধে দেখা দিব ।

হঠাতে এটি উচ্চ হিয়া খোলা হাঁহিৰ ৰোল উঠিল। কফিখানাৰ মালিকৰ লৰাই বাতৰি কাকত পঢ়ি শুনাইছে— এটি মজাৰ বাতৰি । পিটাছ্বাৰ্গত পুলিছে মদ খাই মাতোয়াল হোৱা বুলি বাতৰি ধৰি অনা ডেকা এজনক পিচদিনা ৰাতিপুৱা এজন গ্ৰেণ্ড ডিউক বুলি চিনিব পাৰিছে। গোটেই পিটাছ্বাৰ্গত পুলিছৰ এই কৰ্ত্তব্যপৰায়নতাত হাঁহিছে । সেই হাঁহিৰ ৰোলে ক্ষুদ্ৰ ফৰ্লি নগৰকো প্ৰতিধ্বনিত কৰি তুলিছে । বাতৰি কাকত পঢ়া চলি আছে । আগ দিনা গধূলি নেপলছৰ ওচৰত 'ইশ্চিয়া" দ্বীপটো ভীষণ ভূমিকম্পত ধ্বংস হৈছে । একেবাৰে দহ হেজাৰ লোকৰ প্ৰাণ নাশ কৰি ক্ৰুদ্ধ প্ৰকৃতি শান্ত হৈছে । মুখে মুখে এই বাতৰি আটাইবিলাক ফুলনিৰ ভিতৰত প্ৰচাৰ হল । লৰাটি এখন বেঞ্চৰ ওপৰত ঠিয় হৈ পুনৰায় বাতৰিটো পঢ়ি সকলোকে শুনাইছে ।

সকলোৱে নীৰৱ আগ্ৰহেৰে শুনিছে । কেৱল জনতাৰ মাজত এজন লোকক অন্য মনস্ক দেখা গল । দৃঢ়কায়, আঁটিল চেহেৰা ; মানুহটো আটাইৰে অজ্ঞাতত তাৰ পৰা ওলাই ঘৰমুৱা হবলৈ ধৰিলে ।

সিয়ে হৈছে—ডেভিয়া নগৰৰ কমাৰ। তাৰ নাম আলেছেণ্ডৰো। ঘৰত তাৰ ঘৈণীয়েকৰ প্ৰসৱৰ সময়। প্ৰথম সন্তান লাভৰ আশাত সিহঁত উৎফুল্ল। লৰা নিশ্চয় তাৰ পিতাকৰ নিচিনা দৃঢ়প্ৰতিজ্ঞ, সাহসী আৰু বিদ্ৰোহী হৈ উঠিব—এয়ে সিহঁতৰ মনৰ ভাৱ।

যদি তাৰ এটি লৰা হয়। গতি দ্ৰুত হৈ উঠিল। কিয় সি আজি ফৰ্লি নগৰলৈ আহিব লগীয়া হল? এনে সময়তে দূৰৰ পৰা এজন বুঢ়া তাৰ পিনে আগ বাঢ়ি অহা দেখিলে। তাৰে পৰিচিত, পৰিয়ালৰ এজন পুৰণি বন্ধু।

"ছেভেৰিণা।"

"আলেছেণ্ডৰো।"

দুয়ো পৰস্পৰৰ ওচৰ চাপিল

"লৰা হৈছে।"

একে লৰে ঘৰ পাই দেখিলে—বিচনাৰ ওচৰতে ঘৈণীয়েকৰ কাষত শুই আছে—অকণমান এটি পুত্ৰ সন্তান; কান্দোনেৰে তাৰ অস্তিত্বৰ সম্বন্ধে সকলোকে অস্থিৰ কৰি তুলিছে।

বিচনাৰ ওচৰত সি আঠু কাঢ়ি বহিল। মৃদু স্বৰে কলে—"সম্ৰাট মেক্সিমিলিয়ানৰ শাস্তিদাতা বীৰ

বিদ্ৰোহী বেনিট' জোৱাৰেজৰ নাম অনুসাৰে তাৰ নাম হ'ব—বেনিট'।

সেইদিনা ১৮৮৩ সনৰ জুলাই মাহৰ ২৯ তাৰিখ দুপৰীয়া। স্কন্‌ব্ৰান্ (Schonbrunn) ঈগল পক্ষীৰ মুৰ্ত্তিৰ ওপৰত বজ্ৰপাত হ'ল। মূৰ ছিঙি ৰাজ-শক্তিৰ প্ৰতীক সেই ঈগলক একেবাৰে পাৰ্কৰ পুখুৰীত পেলাই দিলে।

(২)

পথাৰত বসন্তৰ হাঁহিৰ লনি। বগা ৰেছমী মেঘৰ খণ্ডবোৰ অপ্সৰীবিলাকৰ অঞ্চল প্ৰান্তৰৰ নিচিনা নীল আকাশৰ গাত লাগি আছে। পৃথিৱীৰ বুকুত যেন যৌৱন উৎসৱ জাগি উঠিছে।

সেউজীয়া পথাৰৰ মাজত তিনটি লৰা-ছোৱালী ধেমালি কৰি আছিল। বগা ছোৱালীটীৰ ডাঙৰ নীল বৰণীয়া চকু যুৰিত ভয়ৰ চিন বিৰিঙি উঠিছে। তাই আৰু তাইৰ লগৰীয়াৰ দৃষ্টি পৰিছে—এজোপা আপেল গছৰ ওপৰত। তাত দেখা গৈছে আন এটি লৰাক। সিয়ে দলপতি। গছত এতিয়াও ফল ধৰা নাই। তেনেহলে সি ইমান ওপৰলৈ উঠি কৰিছে কি? নিশ্চয় সি আৱশ্যকীয় কিবা এটা পাইছে?

অলপ পিচতে লৰাটি গছৰ পৰা নামি আহিল। হাতত তাৰ দুটি মইনা চৰাইৰ পোৱালী। লগৰীয়াহঁতে চিঞৰি উঠিল—"বেনিট', আমাকো এটা দে অ' ভাই।"

লৰাটিৰ মুখত জয়ৰ আনন্দ বিৰিঙি উঠিল। তাৰ আঠুৰ ছাল ছিঙিছে। কাপোৰ ছিন্নভিন্ন হৈছে। কিন্তু সি পিচ হুহঁকি নাহিল। যাৰ চৰাইৰ প্ৰয়োজন সি চেষ্টা কৰি ধৰিব লাগিব। কিবা পাবলৈ হলে মাটিত থাকিলে নচলিব। একেবাৰে ওপৰলৈ উঠিব লাগিব—তেতিয়াহে বাঞ্ছিত বস্তুৰ সাক্ষাৎ হয়।

স্কুলতো তাৰ দুষ্টালিৰ অন্ত নাছিল। বেঞ্চ বিলাকৰ তলত দৌৰাদৌৰী কৰি কাপোৰ-কানি অলপ দিনৰ ভিতৰতে ছিৰি পেলাইছিল। সাধাৰণ কাৰণতে ভায়েকহঁতৰ লগত যুঁজ কৰিছিল,। তাৰ সঙ্গিনী মাৰিয়েটক যেনে আদৰ কৰিছিল, তেনে পিচ মুহূৰ্ত্ততে তাইৰ চুলিত ধৰি টানিবলৈ এৰা নাছিল। নিতৌ পিতাকৰ লগত ঘোৰাক পানী খুৱাবলৈ গৈছিল। এদিন সি চিঞৰি কান্দি কান্দি ঘৰলৈ উভতি আহিছে। পথাৰত সি তাৰ খেলা কৰা গাড়ীত বালি ভৰাইছিল, এনেতে তাতকৈ ডাঙৰ এটি লৰাই সেইখন কাঢ়ি নি, তাৰ সলনি বেনিট'ক কেটামান ঘোছা দিয়ে।

"কি হ'ল তোক কোনে মাৰিলে" ? তাৰ পিতাকে সুধিছে ।

"এটা ডাঙৰ লৰাই মোক মাৰি গাড়ীখন কাঢ়ি নিলে ।"

"তই একো কৰিব নোৱাৰিলি ? যা ছোৱালীৰ নিচিনাকৈ নাকান্দি এইবাৰৰ পৰা আত্মৰক্ষা কৰিবলৈ শিকিবি ।"

পিতাকে এই কথা কোৱাৰ লগে লগে তাৰ মনত পৰিল—হাৰুণ-আল-ৰছিদৰ উপদেশ বাণী—"সময় মতে কান্ধৰ ওপৰত এটি ঘোছাই দহ বছৰ শিক্ষাৰ কাম কৰে ।" মনত পৰাৰ লগে লগে কামতো তাকে কৰিবলৈ ঠিক কৰিলে । এই ঘটনাৰ পিচৰ পৰা সি ক্ৰমে সাহসী আৰু আত্মবিশ্বাসী হৈ উঠিল । ফৰ্লি নগৰত এতিয়াও এনে লোক আছে, যিবিলাকে মুছলিনীৰ হাতত উত্তম-মধ্যম ধৰণে ঠেকা খাইছিল বুলি গৰ্ব্ব অনুভৱ কৰে ।

এবাৰ হেমন্ত কালৰ আৰম্ভণীতে মুছলিনী কেইজনমান বন্ধুৰ লগত পথাৰৰ মাজত তম্বু সাজি বল । বহুত সময় খেলাৰ পিচত প্ৰশ্ন উঠিল—এইবাৰ কি কৰা যায় ? এজনে ক'লে, পথাৰৰ শেষৰ বাগিছাৰ

ভিতৰত এজোপা প্ৰকাণ্ড মিঠা আপেল ভৰ্ত্তি গছ আছে ; বল আমি তালৈকে যাও।

অ'টাইবিলাকে লৰ মাৰিলে বেনিটো'ৱে সকলোতকৈ আগেয়ে গছজোপাৰ তল পালে, অলপ পিছতে পকা আপেল চিঙিবলৈ ধৰিলে ওপৰত থাকি। বেগতে সিহঁতৰ আমোদ ভয়ত পৰিণত হল। বাগিছাৰ ৰক্ষক আহি পালে। এটি লৰা লাফ দি নামি আহিবলৈ ধৰোতে তাৰ ভৰি মোচোকা খালে। সকলো লৰা পলাই সাৰিল। বল ভৰি ভগা লৰাটি আৰু নিৰ্ভয়চিত্তে ঠিয় হৈ আছে—বেনিটো। হঠাৎ সি আহত বন্ধুক কান্ধত তুলি ললে আৰু আপেলৰ টোপোলা লৈ বাগছাৰ পৰা বাহিৰলৈ ওলাই আহিল।

লৰা হলেও সি তলে তলে সম্পূৰ্ণ মানুহ হৈ উঠিছিল। বীৰ সেনাপতিৰ দৰে সি পৰাজিত সৈনিকক যুদ্ধক্ষেত্ৰত এৰি যাবলৈ নোৱাৰিলে।

(৩)

নগৰৰ ভিতৰত এটি হালধীয়া ৰঙৰ নিস্তব্ধ ঘৰ, যৌৱনৰ সমাধিৰ নিচিনাকৈ ঠিয় হৈ আছে।

এটা ফাল—চহৰৰ এদল মঠধাৰীৰ আশ্ৰম। বাগিছাৰ ভিতৰত পথাৰৰ বেঞ্চত এটি লৰা বিষণ্ন মনে বহি আছে। তাৰ চুলি আউলি-বাউলি, কাপোৰ ফটা, জুতাত

তালি মৰা। তাৰ উজ্জ্বল ক'লা চকু দুটি সুদূৰত নিবদ্ধ থাকি যেন কিবা বিচাৰি ফুৰিছে। কোনেও তাক আমনি কৰিবলৈ সাহ কৰা নাই। কি কাৰব তাৰ অদৃষ্টত দুখ আছে। সি অকলে থাকিব খোজে কেৱল দূৰৰ পিনে চাই—যত সেউজীয়া পথাৰ নীল আকাশৰ লগত মিলিছে। সি ভাবে সেই ঠাইত আছে মুক্তি; আছে—বিশাল প্ৰান্তৰ, আপেলৰ গছ, তাৰ প্ৰিয় ভাই আৰ্ণল্ড, বন্ধু মাৰিয়েট, সেই নেতৃত্বহীন সৰু দলটি আৰু আছে তাৰ স্নেহত পমি যোৱা কৰ্ম্মনিপুণা মাক।

ঘৰৰ কথা মনত পৰিলেই তাৰ চকুলো ওলায়। তাত এতিয়া কি হৈছে কোনে জানে? তাৰ সেই হালধীয়া ঠোঁটৰ চৰাইটিয়ে কি কৰিছে, যাক সি সৰুতে ধৰি আনি পোহ মনাইছিল। সদায়েই সন্ধিয়া চৰাইটি তাৰ লগত আছিল। এতিয়া কঠিন শয্যাত শুই থাকি তাৰ মনত হয় যেন চৰাটিৰ জকজকীয়া ঠোঁট দুটি সি দেখিবলৈ পাইছে। চৰাই, সেউজীয়া পথাৰ এতিয়া তাৰ কিমান দূৰত?

তাৰ পিতাকে তাক আশ্ৰমলৈ পঠাবলৈ মান্তি নহলেও মাকৰ মিনতিত বাধ্য হৈছিল। মাকে বুজিছিল যে তাৰ যেনে উচ্ছৃঙ্খল প্ৰকৃতি হৈ উঠিছে, তাত তাৰ প্ৰয়োজন বিশেষকৈ এটি কঠোৰ শাসন আৰু শিক্ষা পদ্ধতিৰ।

এদিন তাৰ কালিৰ আৰম্ভণীতে, যেতিয়া আশ্ৰমলৈ যোৱাৰ সময় আগ বাঢ়ি আহিল, চঞ্চলমতি লৰাৰ মন আকুল হৈ উঠিল। কাৰণ তাৰ ভাই, তাৰ বন্ধু আৰু সজাৰ ভিতৰত থকা চৰাইটিকে আদি কৰি সকলোকে এৰি যাব লাগিব।

আশ্ৰমলৈ যোৱাৰ আগতে এটি লগৰীয়াৰ লগত মৰামৰি কৰি তাৰ আঙুলি এটা মোচোকা খুৱাই পেলালে। বেণ্ডেজ বন্ধা অৱস্থাতে সি যাবলগীয়া হল। বিদায় লোৱাৰ সময়ত সি মাকৰ ওচৰলৈ গৈ কান্দিবলৈ ধৰিলে। তাৰ পিচত উঠি বহিল সিহঁতৰ গাধটোৰ পিঠিত বাটত নানান বাধাবিঘিনি পাৰ হৈ সি পালেগৈ তাৰ পঢাশালৰ নঙলাৰ মুখ।

দিন যোৱাৰ লগে লগে সেই অশান্ত লৰাটি ক্ৰমে নিৰানন্দ হৈ উঠিল। তাৰ প্ৰকৃতি হল গভীৰ। সহপাঠী-সকলে তাক ভয়ৰ চকুৰে চাবলৈ ধৰিলে তাৰ লগত কথা কবলৈ কোনোৱে সাহ নকৰে। তাত একোৱেই তাৰ ভাল লগা নাছিল। মনতে ভাবিছিল সি যেন কৰবাৰ বা-বতাহ নলগা ঘৰ এটাৰ ভিতৰতহে আছে।

শুদ্ধাচাৰী (পাদুৰী) প্ৰবীন সন্যাসীসকলে তাৰ ব্যৱহাৰত নিৰাশ হবলগীয়া হল। প্ৰাৰ্থনাৰ সময়ত সি

অনুপস্থিত। সুধিলে কয় মম বাতৰি গোন্ধ সি সহ্য কৰিব নোৱাৰে। পৱিত্ৰ স্বৰ্ণপাত্ৰৰ চিকমিকনিয়ে তাৰ চকুত ছাট মাৰি ধৰে। প্ৰাৰ্থনাৰ সময়ত গোৱা গীতে তাৰ মনৰ একাগ্ৰতা নষ্ট কৰে।

শুদ্ধাচাৰীসকলে খং উঠি কলে যে তেওঁলোকৰ মঠ হৈছে শান্ত. সংযমী, বাধ্য লৰাবিলাকক মানুহ কৰি তুলিবৰ নিমিত্তে। বেনিট'ৰ নিচিনা লৰাৰ নিমিত্তে নহয়। কেৱাবাৰো তাক আশ্ৰমৰ পৰা বিদায় দিব খুজিলে, কেৱল তাৰ মাকৰ অশ্ৰুপূৰ্ণ মিনতিৰ নিমিত্তে সেইটো কৰিব নোৱাৰিলে। এবাৰ সি অপৰাধৰ নিমিত্তে শাস্তি পালে বাৰ দিনলৈকে—নিতৌ চাৰি ঘণ্টাকৈ মেজৰ ওপৰত থোৱা বুটমাহৰ ওপৰত আঠু কাঢ়ি থাকিবলৈ। তাক জনাই দিলে, সি যদি ক্ষমা প্ৰাৰ্থনা কৰে তেনেহলে তাৰ শাস্তিৰ অৱসান হব পাৰে। কিন্তু সি সেইটো নকৰিলে, বাৰ দিন সি সেই শাস্তি ভোগ কৰিলে—যদিও দহ দিনৰ দিনা তাৰ আঠু ফাটি তেজ ওলাইছিল।

"গোটেই জীৱনত আমাৰ প্ৰতি কোনে করুণা দেখুৱাইছে? কোনোৱেটো নাই। একেবাৰে দীন দৰিদ্ৰ আৰু দুখপূৰ্ণ আছিল আমাৰ জীৱন! ক'ত আমি করুণা শিকিবলৈ পাইছোঁ? স্কুলত, ঘৰত, এই বিশাল জগতত—

ক'তো নাই। তেনেহলে কিয় আমাক মানুহে সঙ্গীহীন, কঠোৰ আৰু নিৰ্দ্দয় বুলি ভাবি বিস্ময় প্ৰকাশ কৰে ?"

তথাপি সেই নিৰানন্দ আশ্ৰমৰ ভিতৰত থাকি এই শিক্ষা লাভ কৰিছিল যে আদেশ পালন কৰাবলৈ হলে নিজেও আদেশ পালন কৰিবলৈ শিকিব লাগিব। ঘণ্টাৰ পিচত ঘণ্টা সি পুথি ভঁৰালত কটাইছিল। কোনোৱে তাৰ হাতৰ কিতাপ এৰুৱাই তুলি আনিব নোৱাৰে। ইয়াতে পঢ়িলে সি দান্তৰ (Inferno) ইটালীয় প্ৰতিভা। এয়ে উদ্দাম অশান্ত লৰালি মনৰ ওপৰত কোমল পৰশ বোলাই দিলে।

(৪)

ডেভিয়া নগৰ। গছ-গছনি, পশু-পক্ষী শস্য ভৰা ডেভিয়া নগৰ। কমাৰশালীৰ ঘৰটোত আলেছেণ্ড্ৰোই বলিষ্ঠ হাতেৰে হাতুৰি কোবাই জুই-ফিৰিঙতি উৰুৱাই দিছে। দুৱাৰ মুখত ঠিয় হৈ আছে বেনিট'ৰ মাক— ৰোজা-মেলটনী। হঠাৎ তেওঁ সমুখলৈ লৰমাৰি আহিল। মাক পুতেকৰ সাক্ষাত হল।

ছুটি পাই বেনিট' আশ্ৰমৰ পৰা আহিছিল। তাৰ বয়স তেতিয়া পোন্ধৰ বছৰ। বন্ধনমুক্ত হৈ যৌৱনৰ উদ্বেগ তাৰ অন্তৰত অদম্য হৈ উঠিছিল। ঘণ্টাৰ পিচত ঘণ্টা সি ঘূৰি ফুৰে। হাতুৰিৰ কোব শুনি সি বৰ ভাল

পাইছিল। সবাতোকৈ ভাল পাইছিল কিতাপ। মদ কেতিয়াও তাৰ দৰ্কাৰ নহৈছিল। সম্প্ৰতি সি চিগাৰেটো এৰি দিছে।

এটি অশান্ত আকাঙ্ক্ষা, এটি অদম্য কৰ্ম্মস্পৃহাই এই পোন্ধৰ বছৰীয়া লৰাটিক অস্থিৰ কৰি তুলিছিল। এদিন ৰাতি মাকে তাক ঘৰৰ দুৱাৰ বন্ধ কৰি বক্তৃতা কৰা শুনি ভয় খাই উঠিল।

“হেৰ, তই বলিয়া হলি নেকি ? যাৰ মূৰত দোষ থাকে সিহে অকলে অকলে বকি থাকে। তোৰ কি হল বাৰু কচোন ?”

“একো নহয় মাই, সেইটো একো নহয়। তুমি ভয় নকৰিবা। মই বক্তৃতা দিয়া অভ্যাস কৰিছো। বিশ্বাস কৰা মাই, এনে এদিন আহিব, যিদিনা গোটেই ইটালীবাসী মোক দেখি কঁপিব।”

তাৰ পিচত সি গ’ল আন এখন নগৰলৈ। সেই ঠাইলৈ গৈ সি মন দি পঢ়িবলৈ ধৰিলে। তাৰ বোধ শক্তি আছিল তীক্ষ্ণ। অলপ দিনৰ ভিতৰতে সি যি কোনো বিষয়ৰে অন্তঃস্থল ঢুকি পাই ছল। শিক্ষকসকলৰ ব্যাখ্যা তাৰ মনত নালাগে। এইবোৰ বিষয়ত তাৰ নিজৰ মতামত ঠিক, বুলি ভাবিছিল। শিক্ষকসকলেও

কৈছিল লৰাটি বৰ উৎসাহী। সহপাঠীসকলে তাক গৰ্ব্বিত বুলি ভাবিছিল। তথাপি সিহঁতে তাক ভাল নোপোৱাকৈ থাকিব পৰা নাছিল।

৮ঠৰ বছৰ বয়সত পঢ়া সাঙ্গ কৰি গল চাকৰি অনুসন্ধান কৰিবলৈ। এখন নগৰৰ মিউনিছিপাল বোৰ্ডত আবেদন কৰিলে। কিন্তু তেওঁৰ বয়স কম বুলি সুবিধা পাই কৰ্ত্তৃপক্ষই মনোনীত নকৰিলে। তেতিয়া তেওঁ মেয়ৰক কলে—"ডাঙৰীয়াসকল, ইয়াৰ নিমিত্তে আপোনালোকে এদিন লজ্জিত বোধ কৰিব লাগিব।"

এইটো এটা কম সাহসৰ কথা নহয়। ইমান কম বয়সত কেৱল নেপোলিয়ানেহে এনে কথা কব পাৰিছিল।

ইয়াৰ পিচত তেওঁ এখন সৰু স্কুলত কাম যোগাৰ কৰি ললে। ইয়াতে তেওঁৰ চিন্তাধাৰাৰ বহুত পৰিৱৰ্ত্তন হবলৈ ধৰিলে। তেওঁ এজন আচল বিদ্ৰোহী হৈ উঠিল। যিবিলাক পুৰাণ তাৰ ওপৰত অসহ্য হৈ উঠিবলৈ ধৰিলে। বিশেষকৈ দাৰিদ্ৰই তেওঁক ধনীসকলৰ বিৰুদ্ধে উত্তেজিত কৰি তুলিলে। ৰোমানত তেওঁ দেখিছিল এক ক্ষুব্ধ উৎপীড়িত মানৱ জাতিক। যিবিলাকে অতি কষ্টেৰে জীৱিকা উপাৰ্জ্জন কৰিছিল। ধনী আৰু শক্তিশালীবিলাকৰ বিৰুদ্ধে কেৱল ঘৃণাপূৰ্ণ সক্ৰোধ তীব্ৰ অভিযোগ শুনি আহিছে।

আৰু তেওঁৰ মাক ? এই সজ চৰিত্ৰা কোমল হৃদয়া ৰমণীৰ জীৱনত পৰিশ্ৰমৰ অন্ত নাছিল। সকলো সময়তে তেওঁ স্কুলৰ কাম কৰিব লাগিছিল। বাকী সময়খিনি ঘৰত নীৰৱে ভগ্ন স্বাস্থ্যসহ তেওঁ এটি এটিকৈ পইচা সাচিবলৈ খাটিবলগীয়া হৈছিল। তেওঁৰ পিতা ? কতবাৰ তেওঁৰ পিনে চাইছিল—এই কৰ্ম্মী মানুহ জনৰ পিনে। কতবাৰ তেওঁ তেওঁক বিষণ্ণ দৃষ্টিৰে ৰক্তবৰ্ণ জুইৰ পিনে চাই থকা আৰু তীব্ৰ উৎসাহ-বাণী বোলা শুনিছে। বাটে পথে কত ধন-ৰত্ন দাম হৈ পৰি থকা তেওঁ দেখে। কিন্তু হায় ! তেওঁৰ ভনীয়েকে বুটলি অনা মিঠা ফল কেইটাৰ বাহিৰে ৰাতি তেওঁলোকৰ খাবলৈ নিমিলে। পিতাক আছিল সমাজ-বিদ্ৰোহী আৰু তেওঁৰ লৰা হব পাৰে কি ?

ক্ৰমে তেওঁ সমাজতন্ত্ৰীদলৰ লগ লাগিল। পূৰ্ণ উদ্যোগেৰে নতুন নতুন কৰ্ম্ম পন্থাৰে নিজক পৰিচালনা কৰিবলৈ ধৰিলে।

প্ৰত্যেক শ্ৰমজীৱিকে উৎপীড়ণ কৰা হয়—অতি সত্য কথা। তেওঁৰ পিতাকে মিছাতে ইমান পৰিশ্ৰম কৰিবলৈ বাধ্য হোৱা নাই ? কিমান হাড়-ভঙা কষ্ট কৰি এটি পইচা উপাৰ্জ্জন কৰিবলগীয়া হৈছিল। ধনৰ উত্তৰাধিকাৰী-সকল ! ধন-সম্পত্তি চৌৰ্য্যবৃত্তি নহয় নে ? গোটেই

PLEASE HANDLE THE BOOK CAREFULLY

জগতখন ঐশ্বৰ্য্যৰ দ্বাৰা শাসিত হোৱা নাইনে ? শ্ৰমিকসকল কেতিয়াও সজ্ঘবদ্ধ হব নোৱাৰিবনে ? এইভাৱে চলিছিল তেওঁৰ চিন্তাধাৰা। মাৰ্কছ আদি মনীষীসকলৰ কথা তেওঁ ঋষিবাক্য বুলি মানিছিল আৰু প্ৰচাৰ কৰিছিল। নতুন নতুন ভাৱ আহি তেওঁৰ মনত অগ্নিশিখাৰ দৰে জ্বলিবলৈ ধৰিলে।

এদিন তেওঁ মুকলি বতাহত ফুৰিবলৈ ওলাল। মহামতি গেৰিবল্ডিৰ মূৰ্ত্তিৰ সমুখত বহুত মানুহ গোটখাই থকা দেখিবলৈ পালে। বক্তাৰ নিমিত্তে সেই জনমণ্ডলী উদ্‌গ্ৰীৱ হৈ অপেক্ষা কৰি আছিল।

হঠাতে এজন ডেকা থিয় হৈ মানুহবোৰক সুধিলে "কি হৈছে,—আপোনালোকৰ বক্তা নাই ? কি বিষয়ে কব লাগিব ?"

"মহাত্মা গেৰিবল্ডিৰ কথা।"

তেতিয়াই ডেকাজন মূৰ্ত্তিৰ ওচৰত থিয় হৈ বক্তৃতা আৰম্ভ কৰিলে—ডেৰঘণ্টা ব্যাপী। —ইটালীৰ ঐক্য সাধন, জাতিৰ মহত্ব গৰিমা আৰু তেওঁৰ অন্তৰত জ্বলি থকা আশা আকাঙ্ক্ষাৰ কথা।

জনমণ্ডলী হৰ্ষধ্বনি কৰি উঠিল। এই হল ডেকা বিদ্ৰোহীৰ প্ৰথম বক্তৃতাৰ সাফল্য। তেতিয়ালৈকে

তেওঁ মাৰ্কছৰ উপদেশ বাণীৰ প্ৰভাৱ খণ্ডন কৰিব পৰা নাছিল। তেতিয়াও তেওঁৰ মন বহুমুখী ভাৱ-ধাৰা আৰু লুপ্ত গৌৰৱ পুনৰুদ্ধাৰৰ ৰঙালি সপোনত আত্মহাৰা হৈ আছিল।

(৫)

"প্ৰিয় বন্ধু,

আজি তোমালৈ যি লিখিছোঁ ইয়াৰ গোটেইখিনি সত্য কথা। ইয়াৰ ভিতৰত আছে যৌৱনৰ আশাশূণ্য বাণী। যি লিখিছোঁ কাৰো আগত প্ৰকাশ নকৰিবা দেই। এজনী ছোৱালীয়ে মাথোন মোৰ দুখৰ কাহিনী গম পাইছে। চিঠি পঢ়াৰ লগে লগে তুমি হবা দ্বিতীয় জন। কথাবিলাক গোপনে ৰাখিবলৈ কিয় অনুৰোধ কৰিছোঁ, তাক বুজিবলৈ তোমাৰ পলম নহব।

জুলাই মাহৰ ৯ তাৰিখে গুৱালটিয়াৰৰ পৰা বিদায় লৈ পাশ আৰু মিলান হৈ ছিয়াছোয় পালোঁহি। ইয়াত জহৰ প্ৰকোপত আধামৰা হলেও গধূলিলৈকে থাকিলোঁ।

বাতৰি কাকতত হঠাতে পঢ়িলোঁ--নিৰ্ব্বাচনৰ গণ্ড-গোলত মোৰ পিতাক পুলিছে গ্ৰেপ্তাৰ কৰিছে। আগতে জনা হলে তেতিয়াই ছুইজাৰলেণ্ডলৈ যাত্ৰা কৰি ঘৰলৈ উভতি গলোহেঁতেন। সি যি কি নহওক ইটালীয়

মুদ্রা বদলি কৰি লুছাৰ্ণৰ ৰেলগাড়ীত উঠিলোঁ। গাড়ীখন ইটালীয় ভ্ৰমণকাৰীৰ দ্বাৰা পূৰ্ণ আছিল। মই প্ৰায় গোটেই ৰাট খিৰিকিৰ ওচৰত বহি কটাইছিলোঁ। মনতে ভাবিছিলোঁ যেন পৰীৰ ৰাজ্যতহে এৰাতি। কুঁৱলীয়ে আবৃত কৰি থোৱা পৰ্ব্বতৰ পিচ ফালৰ পৰা চন্দ্ৰ দেৱতাই তেওঁৰ শুভ্ৰ হাঁহিৰে মাজে মাজে আমাক দেখা দিলে। গাড়ীৰ সকলো যাত্ৰী শুই পৰিল, মই কেৱল ভাবিবলৈ ধৰিলোঁ। কি ভাবিছিলোঁ—মনত নাই। ৰাতিপুৱা যেতিয়া ছুইজাৰলেণ্ড পালোঁহি তেতিয়া কেৱল সূৰ্য্যপ্ৰতিভা মাতৃভূমি ইটালীৰ নিমিত্তে অন্তৰ কান্দি উঠিল। মোৰ এজন লগৰীয়াই আশা দিলে—ভাৰ্ডনত তেওঁৰ এজন আত্মীয়ৰ আগত কৈ চাকৰিৰ সন্ধান কৰি দিব পাৰিব বুলি। উপায় নাপাই যাত্ৰা কৰিলোঁ তালৈকে। সেইখিনি পাই অতি ক্লান্ত হৈ এখন কফি খানাত কিছু খাই এজন ইটালীয় বেপাৰীৰ লগত সাক্ষাত কৰিলোঁ। তেওঁ দিয়া এটি ফ্ৰাঙ্কৰ সলনি মই মোৰ মৰমৰ আৰবী ছুৰি খন বন্ধক থলোঁ।

গোটেই শুকুৰবাৰৰ ৰাতিটো মই পেষ্টালোৎছীৰ মূৰ্ত্তিৰ পিনে চাই শুই পৰিলোঁ। শনিবাৰে শিল কঢ়িৱা চাকৰি এটিৰ বন্দবস্ত কৰিলোঁ। নিতৌ এঘাৰ ঘণ্টাকৈ

তলৰ পৰা ডুমহলীয়া বঙলাৰ ওপৰত শিল তুলি দিব লাগিব। সোমবাৰৰ দিনা ১২১ বাৰ এনে কৰাত মোৰ হাত দুখন ওখহি উঠিল। ৰাতি খাবলৈ পালোঁ আধা পোৰা আলু কেইডোখৰ মান। তাৰ পিচত শেতেলিত শুই পৰিলোঁ। শেতেলি কৰা হৈছিল খেৰৰ দ'মৰ ওপৰত। মোক কৰ্ত্তাজনে একেবাৰে বলিয়া কৰি তুলিলে। তৃতীয় দিনা তেওঁ মোক কলে কি ? "তোৰ পোছাকটো বেছ ভদ্ৰলোকৰ নিচিনা।" খঙতে মোৰ গোটেই গা জ্বলি উঠিল। শনিবাৰে গধূলি চাকৰি এৰি পাওনা আদায় কৰিবলৈ গলোঁ। পইচাখিনি দি তেওঁ মোক কলে—"লৈ যা তোৰ পাওনা। এইখিনি তই মোক ঠগিহে নিলি।"

মই তাক কি কৰিম ? কেইটামান ঘোঁচাকে বহুৱাই দিম নেকি, নে একেবাৰে মাৰি পেলাম ? কি কৰিলোঁ জানানে ? একোকে কৰা নহল। মোৰ তেতিয়া ভোকত শৰীৰ অৱসন্ন হৈ পৰিছিল। ভৰিত জুতাও নাছিল। তাৰ পিচত গলো লোজানলৈ। প্ৰথম সপ্তাহটি কটোৱাৰ লগে লগে হাতৰ পইচা খিনি সাং হল। ৰাতিপুৱা আছিল মাথোন এডুখৰি ৰুটি। কিন্তু ৰাতি ক'ত যে শুই থাকিম তাক ঠিক কৰিব নোৱাৰিলোঁ। উদ্দেশ্য-

হীনৰ দৰে কিছু সময় ঘূৰি ফুৰিলোঁ। পেটে তেতিয়া বিদ্রোহ ঘোষণা কৰি দিছে। পাৰ্কলৈ গৈ ইউলিয়াম টেলৰ মূৰ্ত্তিৰ তলত বহিলোঁ। মোৰ চেহেৰা তেতিয়া নিশ্চয় ভয়ঙ্কৰ হৈ উঠিছিল, কাৰণ বাটেদি যোৱা মানুহবিলাকে মোৰ পিনে সন্দিগ্ধভাৱে চাই গৈছিল।

দিনৰ পোহৰ নাইকিয়া হৈ আহিল। গধূলি বেলিৰ শেষ ৰশ্মি প্ৰাচীন গীৰ্জ্জাৰ ঘণ্টাৰ ধ্বনিৰ লগত মিলি মোৰ চিন্তাধাৰাক আন বাটে দি লৈ গল। লেক্‌লেমেনৰ পাৰত এটি সীমাহীন বিষাদে মোক অভিভূত কৰি পেলালে। মনত হল যেন এদিনলৈকে জীৱন ধাৰণৰ সাৰ্থকতা নাই * * ভাবিছিলো—এনেতে এটি সুললিত গীতৰ ধ্বনি আহি মোৰ চিন্তা সোঁতত বাধা দিলে। উভতি আহিলো। ডাঙৰ হোটেলৰ বাৰান্দাত বহি তেতিয়া জনদিয়েক সঙ্গীতজ্ঞই বজাবলৈ আৰম্ভ কৰিলে। নঙলাৰ লোহাৰ দুৱাৰত ভিৰ দি সেউজীয়া সৰল গছৰ মাজেদি মই আচৰিত হৈ গীত শুনি মুগ্ধ হলোঁ। কিন্তু ভোকৰ জ্বালাত আকৌ অস্থিৰ হৈ পৰিলোঁ। মোৰ চকুৰ আগেদি ধুনীয়া সাজ-পাৰ পিন্ধা মানুহৰ চলাচল হৈছে। দেখিলোঁ অলঙ্কাৰ ভূষিতা কত মহিলাই বহুমূলীয়া পোছাক পিন্ধি কোমল সুৰীয়া

আলাপ কৰি ফুৰিবলৈ ধৰিছে। কিন্তু মোৰ ছোলাৰ মোনাত এটি পইচাও নাই হায় ভগৱান ! ৰাতি এখন দলঙৰ তলতে শুই কটালোঁ। ৰাতিপুৱা মোৰ দেশীয় মানুহ এজনক দেখি তেওঁক মোৰ দুখৰ কাহিনী কলোঁ। তেওঁ হাঁহি উঠিল। তেওঁক গালি শপনি পৰাত মোক অলপ পইচা দিলে। ধন্যবাদ দি লৰ মাৰি গৈ ৰুটি এটা কিনি আনিলোঁ। চৌবিশ ঘণ্টা লঘোনে থাকি ভোকত বলিয়া কুকুৰৰ দৰে সেই ৰুটিটো কামুৰিবলৈ ধৰিলোঁ।

দেহত আকৌ নতুন প্ৰাণ শক্তি ফিৰি আহিল। ভোক গুচাৰ লগে লগে সাহৰ সঞ্চাৰ হল। যুদ্ধৰ নিমিত্তে সাজু হলোঁ। তাৰ পিচত অলপ পৰিষ্কাৰ হৈ গলো এজন ইটালীয় শিক্ষকৰ ওচৰলৈ। বেছ মজাৰ মানুহ তেওঁ। মোক দেখি কলে—"নিতৌ এই বিপদ ! তোক কি লাগে ? একো দিব নোৱাৰো তোক। গুচি যা ইয়াৰ পৰা।" মই গুচি আহিলোঁ তাৰ পৰা। পিচত চিঠিত বাকীখিনি লিখিম। তোমাৰ গোটেইখন চিঠি এখন উপন্যাস বুলি মনত ধাৰণা হব পাৰে ; কিন্তু এইবিলাক আখৰে আখৰে সত্য। আজিলৈকে ইয়াৰ সত্যতাৰ কোনো কম হোৱা নাই।

PLEASE HANDLE THE BOOK CAREFULLY

তোমাৰ চিঠি পাইছোঁ। কবিতা পঠাবা। আমাৰ লগৰীয়াসকলৰ খবৰ বাতৰি লিখিবা। ইতি—

তোমাৰ বন্ধু,
"বেনিট' মুছলিনী"

(৬)

এটা অন্ধকাৰ ধোঁৱা ভৰা ঘৰ। বেৰাত কিছুমান স্পষ্ট ছবি ওলমি আছে। কেইটিমান লৰাছোৱালী মেজৰ চাৰিওপিনে বহি আছে। ফটৃফটীয়া সিহঁতৰ গাৰ বৰণ। জন্মভূমিৰ বিশাল প্ৰান্তৰৰ নিচিনা অন্তৰ খোলা সিহঁতৰ মন। সিহঁতে আলোচনা কৰিছে "পৱিত্ৰ" ৰুছিয়াৰ দুখ-দৈন্য আৰু অত্যাচাৰৰ প্ৰতিকাৰ। সম্ৰাট আইভেনৰ পৰা সাধাৰণ কৃষকো বাদ পৰা নাই।

এই ধোঁৱা ভৰা ঘৰটোত যেন সীমাহীন বেদনা জাগি উঠিছে। দুপৰীয়াৰ পৰা সিহঁতে মেল আৰম্ভ কৰিছে। এতিয়া ৰাতি দ্বিপ্ৰহৰ। তথাপি অন্তৰ্হিত অন্বেষণৰ অৱসৰ নাই। জীৱনৰ পৰম সত্যক সিহঁতে বিচাৰি উলিয়াব খোজে—কিন্তু ধৰোঁ ধৰোঁ কৰিও ধৰিব পৰা নাই।

এচুকত বহি আছে অসাধাৰণ এজনী ছোৱালী। মূৰত সোণোৱালী চুলি। চকুত তাইৰ মনমোহা দৃষ্টি। কথা কোৱা সময়ত দেখা যায় টুক-টুকীয়া ৰঙা ফুলৰ নিচিনা

ওঠ দুটি। তাই কৰ পৰ আহিছে কোনেও নাজানে। ছাত্ৰী বুলিয়েই তাইৰ পৰিচয়। এই বিষাদপূৰ্ণ সভাতো যেন গছৰ ডালত নিয়ৰে তিয়াই থোৱা এপাহি ফুল।

এজন ডেকাৰ লগত আলাপ কৰিছে। সপোন-বিলাসী স্বাস্থ্যৱান ৰুছিয়াবিলাকৰ লগত ডেকাটিৰ যেন আকাশ-পাতাল প্ৰভেদ। তেওঁৰ কথাত, তেওঁৰ অঙ্গী-ভঙ্গীত ফুটি উঠিছে দৃঢ় প্ৰতিজ্ঞাৰ আভাস এটি। কোমল সুৰেৰে ডেকা জনে কলে—"হেলেনা, ভাকৰ নিচিনাকৈ কেতিয়াও বাস্তৱক ভয় নকৰিবা। যদি আমি এবাৰ সাহ কৰি ভাগ্যদেৱতাৰ সন্মুখীন হবলৈ পাৰোঁ, তেনেহলে আমাৰ জয় অনিবাৰ্য্য। নিজৰ নিমিত্তে এনে কোনো অৱস্থা কল্পনাও কৰিব নোৱাৰি—য'ত আমি অভিভূত হৈ পৰিম। আমি বনুৱাৰ কাম কৰিছোঁ। শ্ৰমিকো হৈছোঁ। যেতিয়া জাৰ আহিব, আমি তেতিয়া হম ভৃত্য। এই কাম আমাৰ ভাল লগা নাছিল। কিন্তু কি কৰিম কোৱা? ছুইজাৰলেণ্ডৰ দীঘলীয়া কঠোৰ জাৰত কোনো বনুৱাৰ কাম কৰা সম্ভৱ নহয়। সেই নিমিত্তে ইটালীয় কফিখানাত কাম ললোঁ। খোৱাৰ নিমিত্তে পালোঁ এবাতি জোল আৰু ৰুটিৰ টুকুৰা। ৰাতি মূৰ সুমুৱাবলৈ পাইছিলো এডোখৰ ঠাই আৰু যৎসামান্য দৰমহা। ৰাতি পুৱালে

লৰ মাৰোঁ— খোলা মুখে, খালি ভৰিৰে এপেৰা বটল মূৰত লৈ ঘৰে ঘৰে বিলাবলৈ। পিন্ধিবলৈ এডুখৰি ফটা কাপোৰৰ বাহিৰে একো নাছিল। নাম মাত্র উপহাৰ দিলে অতি নম্রভাৱে ধন্যবাদ দিছিলোঁ। এই বিলাক কথা শুনি বোধকৰোঁ তুমি বেজাৰ পাইছা ”

ধুনীয়া মূৰটি তুপিয়াই ছোৱালী জনীয়ে কলে,—“কোৱা, কোৱা, তোমাৰ কথাবিলাক বৰ আচৰিত ভাবিছোঁ।”

“বাৰু তেনেহলে কওঁ। সময় পালে সোমালোহেঁতেন ইউনিভাৰ্ছিটি পুথি-ভঁৰালত। কত নতুন ভাৱ মোৰ মূৰত সোমায়। নীটছ, অ’ কত বাৰ তেওঁৰ কিতাপবিলাক পাঢ়িছোঁ জানা? বোধ কৰোঁ তাৰ প্রত্যেকটি শাৰী মই মুখস্থ কব পাৰোঁ। ফৰাছী, ইটালীয়, জাৰ্ম্মাণ আদি কৰি বহুতো ভাষাৰ কিতাপ মই পঢ়িছোঁ, কিন্তু নীটছৰ নিচিনা কোনোৱে মোক গভীৰ ভাৱে লৰাব পৰা নাই। মার্কছ, লেছালেও পৰা নাই। আৰু শুনিবলৈ ইচ্ছা কৰা নেকি?”

এটি সম্মতিৰ ধ্বনি।

“জানা, শিক্ষকসকলৰ ভিতৰত কাক মোৰ ভাল লাগিছিল? পাৰেটোকে। তেওঁ নিয়ম প্রণালী নামানি একেবাৰে বিষয় বস্তুটি ধৰিব পাৰিছিল। পদ্ধতি মনাকে তেওঁ কৈছিল—কাৰাবৰণ। মত মাত্রে ভুল আছে।

মই তেওঁৰ প্ৰথম বক্তৃতাৰ কথা কেতিয়াও নাপাহাৰোঁ; কিয়নো সেই বক্তৃতাৰ পিচতে মোক পুলিছে গ্ৰেপ্তাৰ কৰে।

ছোৱালী জনীয়ে সুধিব লগীয়া হল।

"নহয়, নহয়, বক্তৃতাত অনুপস্থিতিৰ কাৰণে নহয়। চাৰিউপিনে ঘূৰি ফুৰোঁ বুলি, কোনো নিৰ্দ্দিষ্ট কাম নকঁৰো বুলি তেওঁলোকে মোক কাৰাগাৰত ৰাখিলে।"

উৎসাহিত স্বৰে ছোৱালী জনীয়ে কলে—"অ' তেনেহলে তুমি ফাটেক খাটিছা ?"

"এৰা, কিন্তু অতীতৰ কথা মই আৰু মনত নাৰাখোঁ। কেৱল ভৱিষ্যতৰ নিমিত্তে চিন্তা কৰিবলৈ ইচ্ছা।"

মেলখন ভাগিল ৰাতি বাৰ বজাত। "হেলেনা"ই এটি মিছিকিয়া হাঁহি মাৰি বিদায় লব খুজিলে—আৰু কলে—"আজি তুমি বহুত আচৰিত কথা শুনালা। কালিলৈ ভেণ্ডাৰভেল্ডৰ এটি বক্তৃতা হব। সকলোৱে তেওঁক বৰ বুদ্ধিমান লোক বোলে। যাবা নে মোৰ লগত তেওঁৰ বক্তৃতা শুনিবলৈ ?"

ডেকাই আনন্দ মনেৰে স্বীকাৰ কৰিলে। পিচদিনা জনতাৰ মাজত তেওঁলোক দুয়োজনাকে দেখা গল। বক্তাই যীচু খ্ৰীষ্ট আৰু তেওঁৰ সহচৰসকলৰ পুণ্যাত্মাৰ কথা কৈ বুজাবলৈ চেষ্টা কৰিলে, নিপীড়িত মানৱ জাতিক তেওঁ-

লোকে কেনেকৈ উদ্ধাৰ কৰিব খুজিছিল। সকলোৰে হাত চাপৰি পৰিল। এনে সময়তে তেওঁলোকে বাধা পালে—এজন ক্ষীণ-কায় ডেকাৰ পৰা।

হঠাতে তেওঁ চিঞৰি কৈ দিলে—বক্তাৰ কথা সত্য নহয়। সকলোৱে তেওঁৰ বক্তৃতা বন্ধ কৰিবলৈ চেষ্টা কৰিলে। কিন্তু শেষলৈকে তেওঁৰ কথা অনিচ্ছাস্বত্বেও শুনি থাকে। ডেকাজন চাৰিওপিনে চাই ওজস্বনী সুৰেৰে কবলৈ ধৰিলে—

"যীচুখ্ৰীষ্ট আৰু তেওঁৰ অনুচৰবিলাক বিশাল ৰোম সাম্ৰাজ্যৰ ধ্বংসৰ মূল কাৰণ। যি শক্তি সাহসে ৰোমক মাহন কৰি তুলিছিল, তাকে তেওঁলোকে ধূলিসাৎ কৰি দিছে। বীৰোচিত শক্তি সামৰ্থ্যৰ ঠাইত তেওঁলোকে চিজাৰক সিংহাসনত বহুৱালে। এনে ভীৰুতা, প্ৰতিকাৰ-হীনতা আৰু দাৰিদ্ৰ্য মনোবৃত্তিৰ প্ৰকৃষ্ট উপাদানবিলাক আৰু মহান শক্তিশালী ৰোমেও অৱশেষত এই দলৰ মনোবৃত্তি মানি লৈ শত্ৰুৰ আক্ৰমণৰপৰা ৰক্ষা পৰিব নোৱাৰিলে। যীচুক এইবিলাক অপৰাধৰ অপৰাধী বুলি ঘোষণা কৰিব খোঁজো।"

আগৰ বক্তা জনক পাহৰি গৈ জনতাই এই ডেকাৰ মূৰত বিজয়ী মালা পিন্ধাই দিলে। সভা ভাগিল।

বাহিৰলৈ ওলাই আহি সেই ছোৱালীজনীয়ে তেওঁৰ হাতত ধৰিলে। আবেগ সনা নীল বৰণীয়া চকু যুৰিৰে তেওঁৰ পিনে চাই কলে—"তুমি আজি অতি চমৎকাৰভাৱে বক্তৃতা দিছা।"

"হেলেনা, বলা বেগতে আমি আমাৰ সেই আড্ডা লৈ যাওঁ। আটাইবিলাকৰ আগত তোমাৰ কথা কবলৈ মই বৰ উৎসুক হৈছোঁ।"

ছোৱালীজনীয়ে মনে মনে ভাবিবলৈ ধৰিলে—ৰুছিয়ান-বিলাকৰ লগত তেওঁৰ কি লাভ হয়। ৰুছিয়াৰ সৰ্ব্বতি-কালৰ দুখৰ কথা শুনিলেনো তেওঁ কি কৰিব? সনাতন ৰুছিয়ানন, মই কি কৰোঁ? সম্ভৱপৰ নহব যেন পাওঁ।

কি ভাগ্য, ৰাতিৰ আড্ডাটো তেতিয়াও বহুত নিলগত। নানা ধৰণৰ অচিনাকি বাগিচাৰ মাজেদি আধা ঘণ্টাৰ পিচত সেইখিনি পাবগৈ পাৰোঁ। তেতিয়া আকাশ তৰাৰে ভৰা। ৰাতিৰ উজ্জ্বলতাৰ সৌৰভে ছোৱালীটীৰ মন-প্ৰাণ আকুল কৰি তুলিছে।

তেওঁলোক দুয়ো এখন দলঙৰ কাষলৈ আহিল। নদীৰ ওপৰেদি বতাহ বলিবলৈ ধৰিছে—ৰিব্ ৰিব্ কৈ। ছোৱালীজনী কঁপি কঁপি ডেকাটিৰ গাত ভৰ দিলে। বতাহত বাজি উঠিছে এটি অচিনাকি সুৰ আৰু ডেকাৰ মুখত

PLEASE HANDLE THE BOOK CAREFULLY

আহি লাগিছে একোচা সোণোৱালী চুলি।

"হেলেনা", ছোৱালী জনীয়ে চক্‌মক্‌কৈ উঠি যাবলৈ ধৰোতে ডেকাটিয়ে হাত দুখনি চেপি ধৰিলে তেওঁৰ। বাত্তিৰ এন্ধাৰতো তেওঁৰ চকু উজ্জ্বল হৈ উঠিল।

"হেলেনা, মই তোমাক ভাল পাওঁ * * *।"

উত্তৰ পালে কেৱল আৱেগ ভৰা নীল বৰণীয়া চকু-যুৰিৰ ইঙ্গীত।

অনুভৱ কৰিলে দুটি কোমল ফুলৰ স্নেহভৰা আলিঙ্গন।

এই খিনিতে বেনিট' মুছলিনীৰ প্ৰথম জীৱনৰ যৱনিকা। ইয়াৰ পিচতে তেওঁৰ পাৰিবাৰিক আৰু ৰাষ্ট্ৰ-জীৱন।

মুছলিনীয়ে মুঠতে তিনিবছৰ স্কুলত শিক্ষা লাভ কৰিছিল। তথাপি বৰ্ত্তমান তেওঁ সকলো বিষয়তে পাৰ্গত। কিমান ডালদৰিদ্ৰ অৱস্থাত থাকিও নিজৰ অন্তৰৰ মহিমাত আৰু একান্ত উদ্যোগত আজি তেওঁ গোটেই ইটালীৰ হৰ্ত্তাকৰ্ত্তা বিধাতা—ডিক্টেটৰ ছিনৰ মুছলিনী।

—শেষ—

(উলাবৰী, কামৰূপ)

DISTRICT LIBRARY
(HEM BARUA COLLECTION)

স্বৰাজ সাহিত্য মন্দিৰৰ

১।	বিদ্ৰোহী—খেতিয়ক		৵০
২।	ৰাষ্ট্ৰপতি—সুভাষ বসু		⁄০
৩।	মুছলিনী		৵০

"দেশৰ এই প্ৰধান সমস্যা সম্পৰ্কে এনে কম মূল্যৰ পুস্তিকাই গণজাগৰণত যথেষ্ট সহায় কৰে আৰু এই পুস্তিকাইও কৰিব বুলি আমাৰ বিশ্বাস।"

—"অসমীয়া"

"এনে ধৰণৰ সময়োপযোগী পুথি প্ৰকাশ কৰি সাময়িক সাহিত্যৰ অভাৱ পূৰণ কৰিছে। গাঁৱলীয়া সমাজত প্ৰচাৰ হলে উপকাৰ হ'ব।"

—"ডেকা অসম"

৪।	অসমৰ সমস্যা	(যন্ত্ৰস্থ)	৵০
৫।	ৰুছিয়াৰ বিদ্ৰোহ	(,,)	৶০
৬।	পূৰ্ণ স্বৰাজ	(,,)	৶০
৭।	সাম্যবাদ	(,,)	৵০
৮।	ছাপা-শিক্ষা	(,,)	১৲

বেছিকৈ নিওতাক কমিচন দিয়া হয়।

পোৱা-ঠাই ঃ—গ্ৰন্থকাৰ, কংগ্ৰেছ ৰোড, গুৱাহাটী

ছিনৰ মুছলিনী

মাক—ৰোজা মেলটনী
(সমাজতন্ত্রী স্কুলৰ শিক্ষয়িত্ৰী)

পিতাক—আলেছেণ্ডৰো
(কমাৰ, বিদ্রোহী আৰু সমস্বত্ববাদী)